[২০১২] ১ এছ.চি.আৰ. পৃষ্ঠা ৪৪৫ ত প্ৰতিবেদিত

অৰূপ দাস আৰু অন্যান্য।

-বনাম-

অসম ৰাজ্য আৰু অন্যান্য।

(বিশেষ অনুমতিৰ আৱেদন(চি)নম্বৰ-৪৮১৩-১৪/২০১২)

ৰায়দানৰ তাৰিখ -২৭ জানুৱাৰী, ২০১২

[ ন্যায়াধীশ আলতামাস কবিৰ আৰু ন্যায়াধীশ সুৰিন্দৰ সিং নিজ্জাৰৰ খণ্ড বিচাৰপীঠ]

সেৱা আইন:

নিযুক্তি - বিজ্ঞাপন জাৰি কৰা খালী পদৰ সংখ্যাৰ বাহিৰে পৰৱৰ্তী বাছনি তালিকাত প্ৰস্তাবিত প্ৰাৰ্থীসকলক চৰকাৰে অনুমোদন কৰিবলৈ অস্বীকাৰ কৰিছে - গৃহীত: এইটো সু-প্ৰতিষ্ঠিত যে বিজ্ঞাপন দিয়া খালী পদৰ সংখ্যাৰ বাহিৰত কৰ্তৃপক্ষই কোনো বাছনি কৰিব / নিযুক্তি দিব নোৱাৰে, আনকি যদিও বিজ্ঞাপন দিয়াতকৈয়ো অধিক সংখ্যক খালী পদ উপলব্ধ আছিল- বিজ্ঞাপন জাৰি কৰা খালী পদবোৰ পূৰণ হোৱাৰ পিছত বাকী থকা খালী পদৰ সংখ্যা পূৰণৰ বাবে এটা নতুন বিজ্ঞাপন জাৰি কৰিব লাগিব - ভাৰতীয় সংবিধান, ১৯৫০ৰ ১৪ আৰু ১৬ নং অনুচ্ছেদ।

ভূমি লেখ্য আৰু জৰীপ সঞ্চালক, অসমৰ দ্বাৰা জাৰি কৰা এটা বিজ্ঞাপনৰ ওপৰত ভিত্তি কৰি, জৰীপ আৰু নিষ্পত্তি প্ৰশিক্ষণ প্ৰতিষ্ঠানত মুঠ ১৬০ খন আসনৰ বাবে বাছনি আৰু নামভৰ্তিৰ বাবে আবেদনপত্ৰ আমন্ত্ৰণ কৰা হৈছিল ফলস্বৰূপে, ১৬০ জন প্ৰাৰ্থীৰ এখন নিৰ্বাচিত তালিকা প্ৰকাশ কৰা হৈছিল আৰু তেওঁলোকক প্ৰশিক্ষণৰ বাবেও পঠিওৱা হৈছিল। তাৰ পিছত, চৰকাৰে

পৰৱৰ্তী তিনিখন তালিকা অনুমোদন কৰিবলৈ অস্বীকাৰ কৰিছিল। এই বিষয়টোক উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হৈছিল। একক ন্যায়াধীশে সেই লেখ আৱেদনখন খাৰিজ কৰিছিল। উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠেও হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিছিল।

বৰ্তমানৰ এই আৱেদন খনত, ন্যায়ালয়ৰ সন্মুখত বিবেচনাৰ বাবে উত্থাপিত প্ৰশ্নটো আছিল: চৰকাৰী সেৱাত বিজ্ঞাপনত উল্লেখ কৰা খালী পদৰ সংখ্যাৰ বাহিৰে নিযুক্তি প্ৰদান কৰিব পাৰি নেকি?

বিশেষ অনুমতিৰ আৱেদনবোৰ খাৰিজ কৰি, আদালতত দ্বাৰা

গৃহীত : ১. এইটো সু-প্ৰতিৰ্ষ্ঠিত যে কোনো কৰ্তৃপক্ষই বিজ্ঞাপন জাৰি কৰা পদৰ সংখ্যাৰ বাহিৰে কোনো বাছনি/নিযুক্তি প্ৰদান কৰিব নোৱাৰে, আনকি যদিও বিজ্ঞাপনত উল্লেখ কৰা পদবোৰতকৈও অধিক সংখ্যক খালী পদ উপলব্ধ থাকে। উক্ত সিদ্ধান্তৰ আঁৰৰ নীতি টো হ'ল যে যদি তেনে কৰিবলৈ অনুমতি দিয়া হ'লহেতেঁন, এনে কাৰ্য্য সম্পূৰ্ণৰূপে স্বেচ্ছাচাৰী আৰু সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদ উলংঘনকাৰী হ'লহেতেঁন, যিহেতু আন যিসকল প্ৰাৰ্থীয়ে উক্ত খালী পদবোৰৰ বাবে আবেদন কৰিবলৈ বিচৰা কৰা নাছিল যিবোৰ পদবোৰ পূৰণ কৰিবলৈ বিচৰা হৈছিল, যদি তেওঁলোকে জানিব পাৰিলেহেতেঁন যে আন খালী পদবোৰো পূৰণ কৰাৰ বাবে বিবেচনাধীন হৈ আছে, তেন্তে আবেদনপত্ৰ দাখিল কৰিব পাৰিলেহেঁতেন । [দফা-১০] [৪৫৩-ডি-এফ]

উত্তৰপ্ৰদেশ বনাম ৰাজ কুমাৰ শৰ্মা ২০০৬(২) এছ.চি.আৰ পৃষ্ঠা ৮৭৭= (২০০৬) ৩ এছ.চি.চি পৃষ্ঠা ৩৩০ ত প্ৰতিবেদিত : আৰু মদন লাল -বনাম- জম্মুকাশ্মীৰ ১৯৯৫ (১) এছচিআৰ পৃষ্ঠা ৯০৮ প্ৰতিবেদিত

-(১৯৯৫)৩ এছ.চি.চি পৃষ্ঠা ৪৮৬ ত প্ৰতিবেদিত গোচৰৰ উদ্ধৃতিৰে........।

প্ৰেম সিং আৰু অন্যান্য - বনাম - হাৰিয়ানা বিদ্যুৎ পৰিষদ আৰু অন্যান্য ১৯৯৬(২) অতিৰিক্ত এছ.চি.আৰ পৃষ্ঠা ৪০১ প্ৰতিবেদিত = ১৯৯৬(৪) এছ.চি.চি পৃষ্ঠা ৩১৯ ত প্ৰতিবেদিত গোচৰত ব্যাখ্যা কৰা হৈছে।

ভাৰত যুক্তৰাজ্য- বনাম- ইশ্বৰ সিং খাত্ৰী আৰু অন্যান্য। (১৯৯২) (অতিৰিক্ত) ৩ এছ.চি.চি পৃষ্ঠা ৮৪ প্ৰতিবেদিত গোচৰৰ - বিশেষ উল্লিখনৰে......

১.২. বৰ্তমান গোচৰটোত বিজ্ঞাপন জাৰি কৰা মুঠ ১৬০ খন আসন পূৰণ কৰাৰ পিছত বাকী ৰোৱা আসনসমূহ পূৰণ কৰাৰ বাবে কোনো বিশেষ আৰু/বা ব্যতিক্ৰমী পৰিস্থিতি বিদ্যমান নহয় । বিজ্ঞাপন জাৰি কৰা খালী আসনবোৰ পূৰণ হোৱাৰ পিছত বাকী সংখ্যক খালী পদ পূৰণ কৰাৰ বাবে এটা নতুন বিজ্ঞাপনৰ জাৰি কৰা প্ৰয়োজন । [দফা ১২] [পৃ.৪৫৫-চি-ই-এফ]

প্ৰাসংগিক গোচৰ আইন:

(১৯৯২) (অতিৰিক্ত) ৩ এছ.চি.চি পৃষ্ঠা নং ৮৪ত প্ৰতিবেদিত গোচৰৰ দফা নং ৪ৰ- বিশেষ উল্লিখনৰে।

১৯৯৬ ২ (অতিৰিক্ত)এছ.চি.আৰ পৃষ্ঠা নং ৪০১ত প্ৰতিবেদিত গোচৰৰ দফা নং ৬ৰ- বিশেষ উল্লিখনৰে ।

১৯৯৫ (১) এছ.চি.আৰ পৃষ্ঠা নং ৯০৮ ত প্ৰতিবেদিত গোচৰৰ দফা নং ৭ ৰ উদ্ধৃতিৰে ।

২০০৬ (২)এছ.চি.আৰ পৃষ্ঠা নং ৮৭৭ত প্ৰতিবেদিত গোচৰৰ দফা নং ১১ ৰ উদ্ধৃতিৰে ।

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: এছ.এল.পি. (দেৱানী) নং ৪৮১৩-৪৮১৪/ ২০১২

গৌহাটি উচ্চ ন্যায়ালয়, গুৱাহাটীৰ লেখ আপীল নং- ১৩২ আৰু ১৫১/২০১১ গোচৰত যোৱা ১৬.০৯.২০১১ তাৰিখে গৃহীত ৰায় আৰু আদেশৰ পৰা।

জয়দীপ গুপ্তা, হেলাল উদ্দিন চৌধুৰী, মহম্মদ ইৰ্শাদ হানিফ, আদিল চিদ্দিকীয়ে আৱেদনকাৰীসকলক প্ৰতিনিধিত্ব কৰিছে।

ন্যায়ালয়ৰ আদেশ প্ৰদান কৰা হৈছিল

ন্যায়াধীশ আলতামাস কবিৰৰ দ্বাৰা- ১. এই বিশেষ অনুমতিৰ আৱেদনসমূহত আইনৰ এটা চমু কিন্তু আকৰ্ষণীয় প্ৰশ্ন উদ্ভৱ হৈছে যে, চৰকাৰী সেৱাত বিজ্ঞাপন জাৰি কৰা খালী পদৰ সংখ্যাৰ বাহিৰেও নিযুক্তি প্ৰদান কৰিব পাৰি নেকি?

২. ২০০৬ চনৰ ৪ নৱেম্বৰ তাৰিখে অসম ভূমি লেখ্য আৰু জৰীপ সঞ্চালকৰ দ্বাৰা এটা বিজ্ঞাপন জাৰি কৰা হৈছিল, য'ত মুঠ ১৬০ খন আসনৰ সন্দৰ্ভত অসম জৰীপ আৰু নিষ্পত্তি প্ৰশিক্ষণ প্ৰতিষ্ঠানত নামভৰ্তিৰ বাছনিৰ বাবে আৱেদনপত্ৰ আমন্ত্ৰণ কৰা হৈছিল। উক্ত বিজ্ঞাপনত জাৰি কৰা আসনৰ বাবে প্ৰায় ১২,০০০ প্ৰাৰ্থীয়ে আবেদনপত্ৰ দাখিল কৰিছিল আৰু এটা লিখিত পৰীক্ষা অনুস্হিত কৰা হৈছিল, পৰৱৰ্তী পৰ্য্যায়ত এটা মৌখিক পৰীক্ষাও(Viva Voce) লোৱা হয়। মৌখিক পৰীক্ষা(Viva Voce) মাত্ৰ ৫৬০ গৰাকী প্ৰাৰ্থীতে সীমাবদ্ধ আছিল। মাত্ৰ ৫৬০ গৰাকী প্ৰাৰ্থীতে মৌখিক পৰীক্ষা(Viva Voce) সীমাবদ্ধ ৰখাৰ বাবে গৌহাটি উচ্চ ন্যায়ালয়ত লেখ আবেদন (চি.)নং ৩৪১৯/২০০৭ দাখিলৰ জৰিয়তে বিষয়টো প্ৰত্যাহ্বান জনোৱা হৈছিল, যাক খাৰিজ কৰা হৈছিল আৰু বিদ্বান একক ন্যায়াধীশৰ আদেশৰ বিপৰীতে দাখিল কৰা লেখ আপীল আবেদন নং ৪১৩/২০০৭ খনো

বৰ্খাস্ত কৰা হৈছিল। ভূমি লেখ্য আৰু জৰীপ সঞ্চালক, অসমে মুঠ ১৬০ জন প্ৰাৰ্থীৰ এখন নিৰ্বাচিত তালিকা প্ৰকাশ কৰিছিল আৰু প্ৰাৰ্থীসকলক প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰিছিল। পৰৱৰ্তী সময়ত, সঞ্চালকে আৰু তিনিখন তালিকা প্ৰেৰণ কৰিছিল, যাক ইয়াৰ পিছত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ তালিকা বুলি উল্লেখ কৰা হ'ব কিন্তু সেইবোৰত চৰকাৰে অনুমোদন জনোৱা নাছিল। উপলব্ধ আসনৰ বিপৰীতে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ তালিকাত অনুমোদন জনাবলৈ চৰকাৰে অস্বীকাৰ কৰা বিষয়টো পুনৰ লেখ আবেদন নং ৩৮১২/২০১০ আৰু লেখ আবেদন নং ২২৭৯/২০১১ৰ জৰিয়তে এই ভিত্তিত প্ৰত্যাহ্বান জনোৱা হৈছিল যে যেতিয়া খালী পদ উপলব্ধ আছিল, তেতিয়া ৫৬০ জন প্ৰাৰ্থীৰ বাছনি তালিকাৰ পৰা সেইপদসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত কোনো নিষেধাজ্ঞা নাছিল ।

৩. উক্ত গোচৰটো আৱেদনকাৰীসকলৰ হৈ উপস্হাপন কৰা হৈছিল যাক উত্তৰদাতাসকলে এই ভিত্তিত প্ৰতিদ্বন্দিতা কৰিছিল যে খালী আসন উপলব্ধ থাকিলেও, সেইবোৰ বিজ্ঞাপন জাৰি কৰা আসনৰ সংখ্যাৰ বাহিৰত পূৰণ কৰিব নোৱাৰিলেহেঁতেন, কিয়নো এনে কাৰ্য্য বিজ্ঞাপনৰ বিষয়বস্তুৰ পৰা বিচ্যুতি সৈতে জড়িত এই আদালতৰ দ্বাৰা নিৰ্ধাৰণ কৰা আইনৰ বিপৰীত হ'ব।

৪. লেখ আবেদনকাৰীসকলৰ হৈ উপস্হাপন কৰা নিবেদনসমূহ বিদ্বান একক ন্যায়াধীশে এই বিবেচনাৰে প্ৰত্যাখ্যান কৰিছিল যে যদি কোনো নিযুক্তি বিজ্ঞাপন প্ৰকাশিত আসনৰ সংখ্যাৰ বাহিৰত কৰিব লগা হৈছিল, তেতিয়া এই সম্পৰ্কীয় নিয়মৰ ২০ নং নিয়ম অনুসৰি পৰৱৰ্তী দলৰ প্ৰাৰ্থী বাছনি কৰাৰ বাবে সঞ্চালকে এটা নতুন বিজ্ঞাপন প্ৰকাশ কৰাটো প্ৰয়োজনীয় আছিল। বিদ্বান একক ন্যায়াধীশে এইটোও মন্তব্য কৰিছিল যে লেখ

আবেদন(চি) নং ৩৯০৯/২০০৯ত ২৯ জানুৱাৰী, ২০১০ তাৰিখে গৃহীত ৰায় আৰু আদেশৰ লগতে লেখ আপীল আবেদন(চি) নং ৪১৩/২০০৭ ত ০১ ডিচেম্বৰ, ২০০৭ তাৰিখে গৃহীত ৰায় আৰু আদেশ পৰা এইটো স্পষ্ট হয় যে সেই ৫৬০ জন প্ৰাৰ্থীক বিজ্ঞাপন জাৰি কৰা মুঠ ১৬০ থন আসনৰ বাবে অনুস্হিত মৌখিক পৰীক্ষাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল আৰু যদি দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ তালিকাৰ প্ৰাৰ্থীসকলক অন্তৰ্ভূক্ত কৰা হ'লহেতেন, তেতিয়া এইটো সেই সকল প্ৰাৰ্থীক বাছনি কৰাৰ সুযোগৰ পৰা বঞ্চিত কৰাৰ সমাণ হ'লহেতেন, যিসকলক লিখিত পৰীক্ষাত প্ৰাৰ্থীৰ সংখ্যা সীমিত কৰণৰ চৰকাৰী সিদ্ধান্তৰ বাবে মৌখিক পৰীক্ষালৈ আমন্ত্ৰণ কৰা হোৱা নাছিল । ইয়াৰ মাজতে কিছু সংখ্যক প্ৰাৰ্থীয়ে প্ৰশিক্ষণৰ বাবে যোগ্যতা অৰ্জন কৰিবও পাৰিলহেতেঁন । ভাৰত যুক্তৰাজ্য- বনাম- ইশ্বৰ সিং খাত্ৰী আৰু অন্যান্য। (১৯৯২) (অতিৰিক্ত) ৩ এছ.চি.চি পৃষ্ঠা ৮৪ প্ৰতিবেদিত গোচৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায় আৰু একে দৃষ্টিভংগী প্ৰকাশ কৰা আন কেইবাটাও ৰায়ৰ ওপৰত নিৰ্ভৰ কৰি বিদ্বান একক ন্যায়াধীশে গৃহীত কৰিছিল যে বিজ্ঞাপনত জাৰি কৰা খালী পদবোৰৰ ওপৰিও উপলব্ধ খালী পদসমুহ পূৰণ কৰা কাৰ্য্যই সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদত উল্লেখিত বিধানৰ বিপৰীত হ'ব। উক্ত যুক্তিসমুহৰ আধাৰত, বিদ্বান একক ন্যায়াধীশে উক্ত লেখ আৱেদনসমুহ খাৰিজ কৰিছিল।

৫. লেখ আবেদনকাৰীসকলে গৌহাটি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠত লেখ আপীল নং ১৩২/২০১১ লগতে লেখ আপীল নং ১৫১/২০১১ দাখিলৰ জৰিয়তে বিদ্বান একক ন্যায়াধীশৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাইছিল, যাক গৌহাটি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ ১৬.৯.২০১১ তাৰিখৰ বিবাদিত ৰায়ৰ দ্বাৰা খাৰিজ কৰা হৈছিল। বিদ্বান একক ন্যায়াধীশৰ দৃষ্টিভংগীৰ সৈতে,

সহমত প্ৰকাশ কৰি খণ্ড বিচাৰপীঠ লেখ আপীল আবেদনসমূহ খাৰিজ কৰিছিল, যাৰ বিৰুদ্ধে এই বিশেষ অনুমতিৰ আৱেদন দাখিল কৰা হৈছে।

৬. বিশেষ অনুমতিৰ আৱেদনৰ সমৰ্থনত উপস্থিত হৈ জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত জয়দীপ গুপ্তাই যুক্তি আগবঢ়াইছিল যে বিদ্বান একক ন্যায়াধীশ আৰু উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ দুয়োখন ন্যায়ালয়ে ভুল ভিত্তিত আগবাঢ়িছিল যে খালী আসন উপলব্ধ থকা স্বত্বেও, বিজ্ঞাপনত উল্লেখ কৰা আসনবোৰৰ বাহিৰে উপলব্ধ আসনবাৰৰ বিপৰীতে বাছনি কৰিব নোৱাৰি। শ্ৰীযুত গুপ্তাই পুনৰ যুক্তি আগবঢ়াইছিল যে দেৱানী আপীল নং- ৩৪২৩/1996, প্ৰেম সিং আৰু অন্যান্য- বনাম - হাৰিয়ানা ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্যান্য, (১৯৯৬) ৪ এচ.চি.চি পৃষ্ঠা ৩১৯ ত প্ৰতিবেদিত ৰায়ত এই ন্যায়ালয়ৰ দ্বাৰা ইয়াৰ আইনৰ বিপৰীত স্হিতি স্পষ্ট কৰা হৈছিল, য'ত নিম্নলিখিত দুটা প্ৰশ্নৰ বিবেচনাৰ ভিতৰত পৰিছিল, যথা,

(i) আয়োগৰ বাবে ২১২ জন প্ৰাৰ্থীৰ এখন তালিকা প্ৰস্তুত কৰা আৰু সেই তালিকাৰ পৰা ১৩৭ জন প্ৰাৰ্থী নিযুক্তি দিয়াত কোনো বাধা নাছিন নেকি , য'ত বিজ্ঞাপন জাৰি কৰা আসনৰ সংখ্যা মাত্ৰ ৬২ খন আছিল?

(ii) উচ্চ ন্যায়ালয়ে মুঠ ২১২ জন প্ৰাৰ্থীৰ বাছনি আৰু ১৩৭ জন প্ৰাৰ্থীৰ নিযুক্তি বাতিল কৰাটো ন্যায়সঙ্গত আছিল নেকি?

৭. এই বিষয়টো নিৰ্ণয় কৰোঁতে, এই আদালতে পূৰ্বৰ বিভিন্ন ৰায়সমূহৰ বিষয়ে উল্লেখ কৰিছিল য'ত এই ন্যায়ালয়ৰ দ্বাৰা গ্ৰহণ কৰা দৃষ্টিভংগীসমূহত পুনৰাবৃত্তি কৰা হৈছিল যে বিজ্ঞাপন জাৰি কৰা আসনৰ সংখ্যাৰ উপৰিও নিযুক্তি বা বাছনি কৰিব পৰা নাযায়। এটা অন্যতম ৰায় যাৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল সেইটো আছিল মদন লাল -বনাম- জম্মু কাশ্মীৰ

(১৯৯৫) ৩ এছ.চি.চি পৃষ্ঠা ৪৮৬ ত প্ৰতিবেদিত গোচৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায় য'ত বিবেচনাৰ বাবে উত্থাপিত প্ৰশ্নবোৰৰ এটা আছিল যে বিজ্ঞাপনত জাৰি কৰা ১১ খন খালী আসনৰ বিপৰীতে ২০ জন প্ৰাৰ্থীৰ মেধা তালিকা প্ৰস্তুত কৰা উচিত আছিলনে ? বিদ্বান ন্যায়াধীশজনে পৰ্যবেক্ষণ কৰিছিল এই ন্যায়ালয়ৰ দ্বাৰা গৃহীত যে আয়োগৰ উক্ত কাৰ্যকলাপ স্বয়ং বেয়া নাছিল, কিন্তু প্ৰকৃত নিযুক্তি দিয়াৰ সময়ত, মেধা তালিকা এনেকৈ পৰিচালিত হ'ব লাগিছিল যে মাত্ৰ ১১ খন খালী আসন পূৰণ হ'ব লাগিছিল। এইটো পুনৰ পৰ্যবেক্ষণ কৰা হৈছিল যে এনে ৰায় গৃহীত কৰাৰ অন্যতম কাৰণ হ'ল যিহেতু চাহিদা আছিল ১১খন খালী আসনৰ বাবে, ফলস্বৰূপে বিজ্ঞাপন আৰু নিযুক্তিও কেৱল ১১খন খালী আসনৰ বাবেহে হ'ব আৰু ইয়াত কৈ বেছি নহয়। বিদ্বান ন্যায়াধীশসকলে মদন লালৰ গোচৰৰ (উল্লেখিত) (Supra) ৰায়ৰ এটা অংশ উদ্ধৃত কৰিছিল যি নিম্নলিখিত ধৰণৰ:-

"এইটো সহজে পৰিলক্ষিত যে যদি চাহিদা ১১ খন খালী আসনৰ বাবে আৰু ফলস্বৰূপে বিজ্ঞাপনৰ জৰিয়তে ইয়াৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হয়, কেৱল ১১ খন খালী আসনৰ উল্লেখ বিজ্ঞাপনত আছে নে নাই, সম্ভাৱ্য প্ৰাৰ্থীসকল আয়োগৰ কাৰ্যালয়ৰ পৰা সহজে জানিব পাৰিব যে প্ৰস্তাৱিত নিযুক্তিৰ চাহিদা পূৰণৰ বাবে খালী থকা আসনৰ সংখ্যা ১১ খন । এনে ক্ষেত্ৰত এজন প্ৰদত্ত প্ৰাৰ্থীয়ে বিভিন্ন কাৰণত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ ইচ্ছা নকৰিবও পাৰে কিন্তু যদি চাহিদা অধিক সংখ্যক খালী আসনৰ হয় যাৰ বাবে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে, তেতিয়া তেওঁ প্ৰতিযোগিতা অৱতীৰ্ণ হ'বলৈ ইচ্ছা কৰিবও পাৰে। ফলস্বৰূপে পদসমূহৰ ক্ষেত্ৰত হোৱা প্ৰকৃত নিযুক্তি কেৱল চৰকাৰে নিযুক্তিৰ চাহিদাপত্ৰ প্ৰেৰণ কৰা

আসনসমূহতে সীমাবদ্ধ থাকিব লাগিব । এনে পৰিস্থিতিত, ১১ জন প্ৰাৰ্থীৰ মেধা তালিকাৰ বাহিৰৰ অতিৰিক্ত প্ৰাৰ্থীসকল যিসকলে তালিকাত কম নম্বৰ লাভ কৰিছে তেওঁলোককহে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা ১১খন খালী আসন পূৰণ কৰিবৰ বাবে মেধা তালিকাৰ অন্তৰ্গত অপেক্ষা-তালিকাভুক্ত প্ৰাৰ্থী হিচাপে গণ্য কৰা হ'ব, যদি কোনো কাৰণত কোনো অধিক নম্বৰ লাভ কোনো প্ৰাৰ্থী ১১খন খালী আসন পূৰণ কৰিবলৈ উপলব্ধ নাথাকে । যেতিয়া এবাৰ নিৰ্বাচিত তালিকাৰপৰা লাভ কৰা মেধা তালিকাৰ অন্তৰ্গত প্ৰাৰ্থীয়ে ক্ৰম অনুসৰি ১১খন খালী আসন পূৰণ কৰিব তেতিয়া ইয়াৰ উদ্দেশ্য পূৰণ হোৱাৰ বাবে সেই তালিকাখনৰ ম্যাদ ওকলি যাব।”

৮. উক্ত পৰ্যৱেক্ষণৰ উল্লিখনৰে বিদ্বান ন্যায়াধীশসকলে ব্যক্ত কৰিছিল যে উপৰোক্ত পৰ্যৱেক্ষণসমূহ কৰোঁতে, ন্যায়ালয়ে এই বিবাদৰ সৈতে সন্মত হৈছিল যে নিযুক্তিৰ বাবে চাহিদাপত্ৰ প্ৰেৰণ কৰোঁতে, চৰকাৰে কেৱল বিদ্যমান প্ৰকৃত খালী পদসমূহৰ প্ৰতি দৃষ্টি ৰখাৰ ওপৰিও প্ৰত্যাশিত খালী আসনৰ প্ৰতিও দৃষ্টি ৰাখিব পাৰে। ইয়াৰ উপৰোক্ত ফলাফলৰ আধাৰত, বিদ্বান ন্যায়াধীশসকলে নিম্নলিখিত ধৰণে পৰ্যবেক্ষণ কৰিবলৈ আগবাঢ়িছিল:-

"২৫. গোচৰ-আইনৰ উপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে চাহিদা পত্ৰ আৰু বিজ্ঞাপনৰ জৰিয়তে খালী আসনৰ বাবে আৰু লগতে প্ৰত্যাশিত খালী আসনৰ বাবেও বাছনি প্ৰক্ৰিয়াটো আৰম্ভ কৰিব পাৰি কিন্তু ভৱিষ্যতৰ খালী পদসমূহবাবে নহয়। যদি চাহিদা পত্ৰ আৰু বিজ্ঞাপন কেৱল এক নিৰ্দিষ্ট সংখ্যক পদৰ বাবে হয় আনকি, ৰাজ্যই অতিৰিক্ত প্ৰাৰ্থীৰ এক নিৰ্বাচিত তালিকা প্ৰস্তুত কৰিলেও বিজ্ঞাপন দিয়া পদৰ সংখ্যাতকৈ অধিক পদত নিযুক্তি প্ৰদান কৰিব নোৱাৰে। ৰাজ্যই বিজ্ঞাপনৰ পৰা বিচ্যুত হ'ব পাৰে আৰু তাৰ পিছত কেৱল ব্যতিক্ৰমী বা কোনো জৰুৰি পৰিস্থিতিত খালী হৈ

থকা পদবোৰত নিযুক্তি প্ৰদান কৰিব পাৰে আৰু সেইটোও সেই সন্দৰ্ভত গ্ৰহণ কৰা নীতিগত সিদ্ধান্তৰ জৰিয়তে । আনকি যেতিয়া বিজ্ঞাপন জাৰি কৰা পদতকৈ অধিক সংখ্যক পদ পূৰণ কৰোঁতে প্ৰত্যাহ্বান জনোৱা হয়, তেতিয়া ন্যায়ালয়ে ইয়াৰ বিশেষ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি ৰাজ্যৰ স্বাৰ্থ আৰু ৰাজহুৱা নিযুক্তি বিচৰা ব্যক্তিসকলৰ অধিকাৰৰ মাজত ন্যায়সঙ্গত ভাৰসাম্য বজাই ৰাখিবলৈ অতিৰিক্ত নিযুক্তিসমূহক অবৈধ ঘোষিত নকৰি ৰেহাই প্ৰদান কৰিবও পাৰে । এনে ক্ষেত্ৰত কি ৰেহাই দিয়া উচিত সেয়া নিৰ্ভৰ কৰিব গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত।

২৬. বৰ্তমানৰ গোচৰটোত, মুঠ ৬২ টা বিজ্ঞাপনত প্ৰকাশিত পদৰ বিপৰীতে আয়োগে ১৩৮ টা পদত নিযুক্তি প্ৰদান কৰিছিল। বাছনি প্ৰক্ৰিয়া ৬২ টা স্পষ্ট খালী পদৰ বাবে আৰম্ভ কৰা হৈছিল আৰু সেই সময়ত প্ৰত্যাশিত খালী পদবোৰ বিবেচনা কৰা হোৱা নাছিল। সেয়েহে, দৃঢ়ভাৱে ক'বলৈ গ'লে, আয়োগে ০২-১১-১৯৯১ তাৰিখে প্ৰকাশিত বিজ্ঞাপন অনুযায়ী মুঠ ৬২ টাতকৈ অধিক পদত নিযুক্তি প্ৰদান কৰা আৰু তাৰ পিছত অনুসৰণ কৰা বাছনি প্ৰক্ৰিয়া ন্যায়সঙ্গত হোৱা নাছিল । কিন্তু আয়োগে যিদৰে কেৱল প্ৰকৃত খালী পদবোৰেই নহয় লগতে যিবোৰ খালী পদ অৱসৰ ইত্যাদিৰ কাৰণে উদ্ভৱ হোৱাৰ সম্ভাৱনা আছিল সেইবোৰো বিবেচনা কৰিছিল, সেয়েহে বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত ৬২ তকৈ অধিক পদত প্ৰদান কৰা সকলো নিযুক্তি অবৈধ বুলি ঘোষনা কৰাটো ন্যায়সঙ্গত আৰু যথাৰ্থ নহ'ব। অৱশ্যে, যিবোৰ নিযুক্তিৰ ভৱিষ্যতৰ খালী পদসমূহৰ বিপৰীতে কৰা হৈছিল - এই ক্ষেত্ৰত নতুনকৈ সৃষ্টি কৰা পদবোৰক - অবৈধ বুলি গণ্য কৰিব লাগিব। পূৰ্বতে উল্লেখ কৰাৰ দৰে, বাছনি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পিছত ১৩ টা পদ অৱসৰৰ বাবে খালী হৈ পৰে আৰু ১২ টা পদ মৃত্যুৰ বাবে খালী

হয় । থালী পদবোৰ যিবোৰ অৱসৰৰ ফলাফল আয়োগে যুক্তিসঙ্গতভাৱে আশা কৰিব পাৰিলেহেতেঁন । ৬২ টা পদ পূৰণৰ বাবে চাহিদাপত্ৰ প্ৰেৰণ কৰা সময়ত আয়োগে পৰ্যৱেক্ষণৰ জৰিয়তে সেইবোৰৰ বিবেচনা কৰা নাছিল । আনকি মৃত্যুৰ বাবে খালী হোৱা পদৰ বিপৰীতে কৰা নিযুক্তিৰ সন্দৰ্ভতো এক নমনীয় দৃষ্টিভংগী ল'ব পাৰি আৰু সুবিধা আৰু সমতাৰ বিষয়ে বিবেচনা কৰিলে সেইবোৰ বাতিল কৰা প্ৰয়োজন নাই । সেয়েহে, এই গোচৰটোৰ বিশেষ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি সেই ২৫ টা অতিৰিক্ত পদত প্ৰদান কৰা নিযুক্তিক অবৈধ বুলি ঘোষনা কৰাটো সঠিক হ’ব বুলি বিবেচনা নকৰো। কিন্তু আয়োগে ৮৭ তকৈ অধিক পদত প্ৰদান কৰা অতিৰিক্ত নিযুক্তিসমূহক অবৈধ বুলি গৃহীত কৰা হয়। যদিও উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগী সঠিক আছিল, আমি ইয়াৰ আদেশ উপৰোক্ত পৰিমানে সংশোধন কৰোঁ । সেই অনুসৰি এই আপীলবোৰত অনুমোদন জনোৱা হয়। জৰিমনাৰ বিষয়ে কোনো আদেশ নাই।”

৯. শ্ৰীযুত গুপ্তাই এই দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি আহ্বান জনায় যে এই ন্যায়ালয়ে প্ৰকাশিত বিজ্ঞাপনৰ পৰা বিচ্যুতি ঘটাই আৰু তাৰ পিছত খালী হোৱা পদসমুহত কেৱল ব্যতিক্ৰমী বা জৰুৰী পৰিস্থিতিত নিযুক্তি দিব পৰা ৰাষ্ট্ৰৰ অধিকাৰত অনুমোদন জনাইছিল, ভূমি লেখ্য আৰু জৰীপ সঞ্চালক, অসমে খালী পদৰ মুঠ জ্ঞাত সংখ্যা ৬৯০ টাৰ বিপৰীতে নিযুক্তি প্ৰদানৰ উদ্দেশ্যে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ তালিকা প্ৰকাশ কৰি কোনো আইনৰ বিৰুদ্ধাচাৰ কৰা নাছিল। শ্ৰীযুত গুপ্তাই উপস্হাপন কৰিছিল যে উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশ আৰু খণ্ড বিচাৰপীঠ দুয়োখনেই প্ৰেম সিঙৰ গোচৰৰ (উল্লেখিত)(Supra) সিদ্ধান্তটো সম্পূৰ্ণ ভুলকৈ সংগঠিত কৰিছিল, যদিও তেওঁলোকৰ সন্মুখত সেইটো উল্লেখ কৰা হৈছিল। সেই অনুসৰি, একক

ন্যায়াধীশ লগতে খণ্ড বিচাৰপীঠৰ দুয়োটা ৰায় ৰাজ্য চৰকাৰ আৰু ইয়াৰ কৰ্তৃপক্ষৰ বাবে উপযুক্ত নিৰ্দেশনা সৈতে খাৰিজৰ যোগ্য যে ভূমি লেখ্য আৰু জৰীপ সঞ্চালক, অসমে প্ৰকাশ কৰা দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ তালিকাৰ পৰা মুঠ খালী পদৰ সংখ্যা পূৰণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব।

১০. আমি আৱেদনকাৰীসকলৰ হৈ উপস্হাপন কৰা যুক্তিসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰাৰ পিছত, শ্ৰীযুত গুপ্তাৰ উপস্হাপিত যুক্তিসমূহ গ্ৰহণ কৰিবলৈ অক্ষম, কিয়নো তেওঁৰ দ্বাৰা উত্থাপিত বিষয়টো এতিয়াও পৰ্য্যাপ্ত (res integra)নহয় আৰু প্ৰেম সিঙৰ গোচৰৰ (উল্লেখিত) ৰায়ৰ পিছত এই ন্যায়ালয়ৰ এক সিদ্ধান্তৰ শৃংখলাৰ দ্বাৰা এই বিষয়টো সঠিকভাবে নিষ্পত্তি কৰা হৈছে। আনকি শ্ৰীযুত গুপ্তাই দৃঢ়ভাৱে নিৰ্ভৰ কৰা প্ৰেম সিঙৰ গোচৰৰ ক্ষেত্ৰত, তেওঁ আগবঢ়াব বিচৰা প্ৰস্তাৱটোৱে সমৰ্থন লাভ নকৰে। এইটো সু-প্ৰতিষ্ঠিত যে কোনো কৰ্তৃপক্ষই বিজ্ঞাপনত প্ৰকাশিত পদৰ সংখ্যাৰ বাহিৰত যিকোনো বাছনি/সাক্ষাৎকাৰ অনুস্হিত কৰিব নোৱাৰে, আনকি বিজ্ঞাপনত প্ৰকাশিত সংখ্যাতকৈ অধিক সংখ্যক পোষ্ট থাকিলেও। এই সিদ্ধান্তৰ আঁৰৰ নীতিটো হৈছে যে যদি সেইটো কৰিবলৈ অনুমতি দিয়া হয়, তেন্তে এনে পদক্ষেপ সম্পূৰ্ণৰূপে স্বেচ্ছাচাৰী আৰু সংবিধানৰ অনুচ্ছেদ নং ১৪ আৰু ১৬ উলংঘাকাৰী হ'ব, কিয়নো আন প্ৰাৰ্থীসকল যিসকলে পূৰণ কৰিবলৈ বিচৰা খালী পদবোৰৰ বাবে আবেদনপত্ৰ দাখিল কৰিবলৈ বিচৰা নাছিল, যদি তেওঁলোকে জানিব পাৰিলেহেঁতেন যে আন খালী থকা পদবোৰো পূৰণ কৰাৰ বাবে বিবেচনাধীন হৈ আছে তেতিয়া তেওঁলোকে আবেদনপত্ৰ দাখিল কৰিব পাৰিলেহেঁতেন। দৰাচলতে, ইশ্বৰ সিং খাত্ৰীৰ গোচৰৰ (উল্লেখিত) ৰায়ত উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে, এই ন্যায়ালয়ে বিজ্ঞাপনত উল্লেখিত ৬৫৪ টা প্ৰকৃত খালী পদৰ বিপৰীতে বাছনি কৰা ১৪৯২ জন প্ৰাৰ্থীৰ পেনেল

প্ৰস্তুত কৰাৰ কথা বিবেচনা কৰোঁতে লিপিবদ্ধ কৰা তথ্যটো হৈছে যে পেনেলৰ পৰা অধিসূচিত খালী পদৰ সংখ্যা পূৰণ কৰাৰ পিছত, তাৰ পৰা কোনো পৰৱৰ্তী নিযুক্তি দিয়া হোৱা নাছিল আৰু তাৰ পৰিৱৰ্তে পৰৱৰ্তী নিযুক্তিৰ বাবে নতুন বিজ্ঞাপন জাৰী কৰা হৈছিল। যিহেতু, এই আদালতে গৃহীত কৰিছিল যে বাছনি পৰিষদে পেনেল প্ৰস্তুত কৰোঁতে প্ৰত্যাশিত খালী পদবোৰৰ কথাও বিবেচনা কৰিছিল সেয়েহে বাছনি পৰিষদৰ সভাৰ কাৰ্য্যবিৱৰণীত এটা প্ৰতিশ্ৰুতি দিয়া হৈছিল যে এই পেনেল সকলো প্ৰাৰ্থীক নিযুক্তি প্ৰদান নকৰালৈকে বৈধ হ'ব। এই ন্যায়ালয়ে এনে ভিত্তিত এই সিদ্ধান্তত উপনীত হৈছিল যে তেতিয়াৰ উপলব্ধ খালী পদৰ বিপৰীতে বাছনি বোৰ্ডে ১৪৯২ জন প্ৰাৰ্থীৰ পেনেল প্ৰস্তুত কৰিছিল আৰু সেই অনুসৰি, নিৰ্বাচিত প্ৰাৰ্থীসকল নিযুক্তি পোৱাৰ অধিকাৰ আছিল। এনে পৰিস্থিতিত হে ন্যায়াধিকৰণৰ নিৰ্দেশনা অনুসৰি ১৪৯২ জন প্ৰাৰ্থীৰ প্ৰকাশিত পেনেলৰ পৰা প্ৰাৰ্থীসকলক পৰৱৰ্তী নিযুক্তি দিয়া হৈছিল, যাক বাহাল ৰখা হৈছিল।

১১. শেহতীয়াকৈ উত্তৰ প্ৰদেশ - বনাম - ৰাজ কুমাৰ শৰ্মা [(২০০৬) ৩ এছ.চি.চি. পৃষ্ঠা ৩৩০)ত প্ৰতিবেদিত গোচৰত, এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়ত বিজ্ঞাপনত প্ৰকাশিত খালী পদৰ সংখ্যাৰ উপৰিও খালী থকা পদসমূহ পূৰণৰ প্ৰশ্নটো পুনৰ বিবেচনা কৰি চাব লগা হৈছিল। এই বিষয়ত প্ৰদান কৰা বিভিন্ন সিদ্ধান্তৰ কথা উল্লেখ কৰি, ন্যায়ালয়ে এইটো গৃহীত কৰিছিল যে বিজ্ঞাপনত প্ৰকাশিত খালী পদৰ সংখ্যাৰ উপৰিও খালী থকা পদসমূহ পূৰণ কৰা কাৰ্য্যই সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদৰ অধীনত নিশ্চিত মৌলিক অধিকাৰ উলংঘন কৰিব আৰু সেই নিৰ্বাচিত প্ৰাৰ্থীসকলে অধিকাৰৰ বিষয় হিচাপে নিযুক্তি দাবী কৰিব নোৱাৰে। এইটো পুনৰাবৃত্তি কৰা হৈছিল যে আনকি কিছুমান খালী পদ পূৰণ নোহোৱাকৈ থাকিলেও নিৰ্বাচিত

তালিকাত প্ৰাৰ্থীসকলৰ কেৱল অন্তৰ্ভুক্তিৰে নিৰ্বাচিত বুলি কোনো অধিকাৰ প্ৰদান নকৰে । এই ন্যায়ালয়ে পুনৰ পৰ্যবেক্ষণ কৰিছিল যে আনকি কিছুমান গোচৰত ভুলবশতঃ বা ভুলকৈ নিযুক্তি প্ৰদান কৰিলেও, সেইটোৱে এজন ব্যক্তিক নিযুক্তি লাভ কৰাৰ কোনো অধিকাৰ প্ৰদান নকৰে, কিয়নো সংবিধানৰ ১৪ নং অনুচ্ছেদত নেতিবাচক সমতাৰ পৰিকল্পনা কৰা হোৱা নাই আৰু যদি ৰাজ্যই ভুল কৰিছিল, ভুলটো স্থায়ী কৰিবলৈ জোৰ কৰিব নোৱাৰে।

১২. আনকি প্ৰেম সিঙৰ গোচৰৰ (উল্লেখিত) ৰায়ত, যাৰ ওপৰত শ্ৰীযুত জয়দীপ গুপ্তাই তেওঁৰ দাবীৰ সমৰ্থনত দৃঢ়ভাৱে নিৰ্ভৰ কৰিছিল যে ৰাজ্যৰ ইয়াৰ দ্বাৰা প্ৰকাশিত বিজ্ঞাপনৰ পৰা বিচ্যুত হোৱাৰ অধিকাৰ আছে যিটো সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিবেচনা কৰিব লাগিব যি পৰিস্থিতিত সেইটো গঠন কৰা হৈছিল। যেতিয়া বিবেচনা কৰা হৈছিল যে যদি চাহিদাপত্ৰ প্ৰেৰণ আৰু বিজ্ঞাপন কেৱল এক নিৰ্দিষ্ট সংখ্যক পদৰ কাৰনে প্ৰকাশিত হৈছিল, তেনেহ'লে ৰাজ্যই সেই পদৰ সংখ্যাতকৈ অধিক সংখ্যক পদত নিযুক্তি প্ৰদান কৰিব নোৱাৰে, এই আদালতে গৃহীত কৰিবলৈ আগবাঢ়িছিল যে ৰাজ্যই বিজ্ঞাপনৰ পৰা বিচ্যুত হ'ব পাৰে আৰু তাৰ পিছত খালী হৈ থকা পদবোৰত ব্যতিক্ৰমী জৰুৰী পৰিস্থিতিত নিযুক্তি প্ৰদান কৰিব পাৰে, আৰু সেয়াও, সেইবোৰৰ হৈ নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিহে। উক্ত ফলাফল সম্ভৱতঃ এনেধৰণে ব্যাখ্যা কৰিব নোৱাৰি যেনেধৰণে শ্ৰীযুত গুপ্তাই কৰিছিল যে আনকি বৰ্তমান পৰিস্থিতিতো বিজ্ঞাপনটো ৰাজ্যৰ দ্বাৰা বিচ্যুত হ'ব পাৰে, যিটো আমাৰ দৃষ্টিত ব্যতিক্ৰমী বা জৰুৰী নহয়। মুল কথাটো হৈছে ৬৯০ খন আসন উপলব্ধ হোৱাটোৰ সৈতে উপৰোক্ত নীতিৰ প্ৰয়োগৰ বাবে বিবেচনা কৰাটো প্ৰাসংগিক নহয়। এইটো এটা এনে পৰিস্থিতি যে প্ৰকাশিত বিজ্ঞাপনত

দিয়া খালী পদবোৰ পূৰণ হোৱাৰ পিছত বাকী থকা খালী পদৰ সংখ্যা পূৰণ কৰাৰ বাবে এটা নতুন বিজ্ঞাপন জাৰী হোৱাটো প্ৰয়োজনীয় । প্ৰেম সিঙৰ গোচৰৰ (উল্লেখিত ) সিদ্ধান্তৰ ২৫ নং দফাৰ পিছৰ অংশ যিয়ে এনে এক বিশেষ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰে য'ত বিজ্ঞাপনত প্ৰকাশিত পদৰ সংখ্যাতকৈ অধিক সংখ্যক পদ পূৰণ কৰা হৈছিল। এই গোচৰত দেখা গৈছিল যে অতিৰিক্ত নিযুক্তিসমূহ অবৈধ বুলি ঘোষনা কৰাৰ পৰিৱৰ্তে, গোচৰৰ তথ্যৰ পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু ৰাজহুৱা নিযুক্তি বিচৰা ব্যক্তিৰ স্বাৰ্থৰ মাজত এক ন্যায়সঙ্গত ভাৰসাম্য বজাই ৰাখি ৰেহাই প্ৰদান কৰা হৈছিল । সেই গোচৰৰ তথ্য বৰ্তমানৰ গোচৰৰ তথ্যতকৈ পৃথক, কোনো বিশেষ আৰু/বা ব্যতিক্ৰমী পৰিস্থিতি বৰ্তমানৰ গোচৰত নাই যে বিজ্ঞাপন জাৰী কৰা ১৬০ খন আসন পূৰণ হোৱাৰ পিছত উপলব্ধ খালী আসন বোৰ পূৰণ কৰাটো প্ৰয়োজনীয় । প্ৰেমৰ সিঙৰ গোচৰৰ ( উল্লেখিত ) ৰায় এনে প্ৰসংগত ব্যাখ্যা কৰিব লাগিব আৰু যাক নিয়ম বুলি ক'ব নোৱাৰি, বৰঞ্চ ব্যতিক্ৰম বুলি ক'ব লাগিব।

১৩. সেয়েহে, আমি শ্ৰীযুত গুপ্তাৰ উপস্হাপন গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয়, যি ব্যতিক্ৰমৰ সৈতে মোকাবিলা কৰে আৰু নিয়মৰ সৈতে নহয় আৰু সেই অনুসৰি, বিশেষ অনুমতিৰ আৱেদনবোৰ খাৰিজ কৰা হয়। ফলস্বৰূপে, আৱেদনকাৰী নং ৪-ৰ পৰা ৫৮ দ্বাৰা দাখিল কৰা বিশেষ অনুমতিৰ আবেদনখন নাকচ কৰা হৈছে।

১৪. অৱশ্যে জৰিমনাৰ বিষয়ে কোনো আদেশ দিয়া নহ'ব।

আৰ.পি.

বিশেষ অনুমতিৰ আৱেদনবোৰ খাৰিজ কৰা হৈছে।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱে ই সঠিক বুলি বিবেচিত হ’ব।”